প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ, অসম

**পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ বিভিন্ন আঁচনি ৰূপায়ণ সম্পৰ্কত পৰ্যালোচনা সভা**

## “অৰ্থনৈতিকভাৱে আটাইতকৈ অধিক প্ৰত্যাহ্বানৰ মুখামুখি হোৱা শ্ৰেণীৰ উন্নয়ন কৰি অসমৰ গাঁও অঞ্চলৰ ছবি সলনি কৰিবলৈ হ’লে আমি সকলোৱে প্ৰতিযোগিতাৰ মনোভাৱেৰে কাম কৰিব লাগিব।”—মন্ত্ৰী দলে

**গুৱাহাটী ১৮ নৱেম্বৰ ঃ** “গাঁৱৰ লোকসকলক স্বনিৰ্ভৰশীল কৰি গাঁৱৰ অৰ্থনৈতিক বুনিয়াদ সুদৃঢ় কৰাৰ ক্ষেত্ৰত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অপৰিসীম দায়িত্ব। অৰ্থনৈতিকভাৱে আটাইতকৈ অধিক প্ৰত্যাহ্বানৰ মুখামুখি হোৱা শ্ৰেণীৰ উন্নয়ন সাধন কৰি অসমৰ গাঁও অঞ্চলৰ ছবি সলনি কৰিবলৈ হ’লে আমি সকলোৱে প্ৰতিযোগিতাৰ মনোভাৱেৰে কাম কৰিব লাগিব।”—পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰূপায়ণ কৰি থকা আঁচনিসমূহৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ অৰ্থে আজি শ্ৰীমন্ত শঙ্কৰদেৱ কলাক্ষেত্ৰৰ শ্ৰীমন্ত শঙ্কৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা সভাত বিভাগীয় মন্ত্ৰী নৱ কুমাৰ দলেয়ে এইদৰে কয়। আঁচনি ৰূপায়ণৰ প্ৰতিটো স্তৰতে আন্তৰিকতাপূৰ্ণ, সক্ৰিয় তথা দায়বদ্ধতাৰে কৰ্তব্য সম্পাদন কৰিবলৈ বিভাগৰ সকলো বিষয়া-কৰ্মচাৰীৰ প্ৰতি আহ্বান জনাই মন্ত্ৰীগৰাকীয়ে কিছুমান সময় নিৰ্দ্ধাৰিত লক্ষ্য নিৰ্দ্ধাৰণ কৰি দিয়ে। তদুপৰি বিভাগৰ অধীনত সাৰ্বজনীন ৰূপত গ্ৰহণ কৰা বৃদ্ধ আৰু বিধৱা পেন্সন যাতে সকলো যোগ্য হিতাধিকাৰীয়ে লাভ কৰিব পাৰে তাৰ বাবে বিশেষ ব্যৱস্থা ল’বলৈও বিষয়াসকলক আহ্বান জনায়।

সভাত মহাত্মা গান্ধী এনৰেগাৰ অধীনত নতুনকৈ হাতত লোৱা ‘স্ব-নিৰ্ভৰ নাৰী ঃ আত্মনিৰ্ভৰ অসম’ আঁচনিখন ৰূপায়ণ সম্পৰ্কত পোন প্ৰথমে পৰ্যালোচনা কৰা হয়। আনহাতে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনি, শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি, ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি, মহাত্মা গান্ধী এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণ, চতুৰ্দশ আৰু পঞ্চদশ বিত্তীয় আয়োগৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত ৰূপায়িত দীন দয়াল অন্ত্যোদয়া যোজনা-ৰাষ্ট্ৰীয় গ্ৰামীণ জাৱিকা অভিযান আৰু দীন দয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা সম্পৰ্কতো বিস্তৃতভাৱে পৰ্যালোচনা কৰা হয় আৰু অধিক ফলপ্ৰসূ ৰপায়ণৰ অৰ্থে বিভিন্ন পৰামৰ্শ আগবঢ়োৱা হয়।

উল্লেখযোগ্য যে ক্ষেত্ৰীয় পৰ্যায়ৰ বিষয়া-কৰ্মচাৰীসকলক আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত অধিক সক্ৰিয় কৰাৰ লক্ষ্যৰে বিভাগীয় মন্ত্ৰীগৰাকীৰ তৎপৰতাত জিলা আৰু ৰাজ্যিক পৰ্যায়ত এনেদৰে এলানি পৰ্যালোচনা সভা অনুষ্ঠিত কৰি অহা হৈছে আৰু ইয়াৰ পৰা সুফল লাভ কৰা হৈছে।

বৰ্তমানৰ প্ৰতিকূল পৰিস্থিতিত চলিত বৰ্ষত এতিয়ালৈ ১৪,৬২,৬১৮টা গ্ৰাম্য পৰিয়ালক মজুৰিভিত্তিক কৰ্মসংস্থাপনেৰে বিভাগে মহাত্মা গান্ধী এনৰেগাৰ জৰিয়তে ৩,৬৬,৯০,১৮৬ কৰ্ম দিন সৃষ্টি কৰি ৭৭৯.৬৭ কোটিতকৈও অধিক টকা মজুৰিৰ বাবদ আদায় দিবলৈ সক্ষম হৈছে। আনহাতে এই সময়ছোৱাত মহিলাৰ অংশগ্ৰহণৰ হাৰ ৪৩.৪০ শতাংশ আৰু ২,৮২,৯৪২ খন নতুন জবকাৰ্ড প্ৰদান কৰা হৈছে।

আনহাতে এতিয়ালৈ প্ৰধানমন্ত্ৰী আৱাস যোজনা-গ্ৰামীণৰ অধীনত সৰ্বমুঠ ৩.৫০ লাখতকৈ অধিক গৃহৰ নিৰ্মাণ সম্পূৰ্ণ হৈছে। তেনেদৰে চতুৰ্দশ বিত্তীয় আয়োগৰ মঞ্জুৰিৰ অধীনত লাভ কৰা ৫১০১.৩৫ কোটি টকাৰ ভিতৰত এতিয়ালৈ ৪২৫৬.৬ কোটি টকা ব্যয়েৰে ৭৩,২৩৯ খন আঁচনিৰ কাম সম্পূৰ্ণ কৰাৰ বিপৰীতে ৬১,৭৮০ খন আঁচনিৰ কাম চলি আছে। তদুপৰি কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি আৰু ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ক্ৰমে ১২,১১,২৫৯ আৰু ১,৬৭,১৯৬ গৰাকী হিতাধিকাৰী উপকৃত হৈছে। সেইদৰে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিয়ানৰ অধীনত এতিয়ালৈ ২,৮৭,৪৯৭ টা আত্মসহায়ক গোট গঠন কৰাৰ বিপৰীতে ১,৫৪,৭০৪ টা আত্মসহায়ক গোটে ঘূৰ্ণীয়মান পুঁজি আৰু ৯৬,৭৭৬ টা আত্মসহায়ক গোটে সামূহিক বিনিয়োগ পুঁজি লাভ কৰিছে। আনহাতে ১,৪১,০৭১ টা আত্মসহায়ক গোটে বেংক ঋণ লাভ কৰিছে। ইয়াৰ উপৰি কনকলতা মহিলা সৱলীকৰণ যোজনাৰ অধীনত ১,৯৮,৪০২ টা গোটে ঘূৰ্ণীয়মান পুঁজি লাভ কৰিছে।

পৰ্যালোচনা সভাৰ আৰম্ভণীতে আদৰণি ভাষণ প্ৰদান কৰে বিভাগৰ আয়ুক্ত হেমেন দাসে। আজিৰ পৰ্যালোচনা সভাত বিভাগৰ প্ৰধান সচিব ডাঃ জে বি এক্কা, ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠানৰ সঞ্চালক খগেশ্বৰ পেগু, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ মিছন সঞ্চালক কৃষ্ণা বৰুৱাকে ধৰি উচ্চ পৰ্যায়ৰ বিষয়াসকল আৰু ৰাজ্যৰ প্ৰতিখন জিলাৰ তৃণমূল পৰ্যায়লৈকে বিভাগীয় বিষয়াসকল উপস্থিত থাকে।

*এম আৰ ডি/১৮-১১-২০২০*


PDs
CEOs



Panchayat & Rural Development Department, Assam
State Level Review Meeting
on
Panchayat & Rural Development Schemes
In presence of
Sjt. Naba Kum ey, Hon'ble Minister, P&RD D rtment
& S fficials of the Department
Date : 18th November, 2020
anta Sankaradeva International Auditorium, Guwahati



Panchayat & Rural Development Department, Assam
State Level Review Meeting
on
Panchayat & Rural Development Schemes
In presence of
Date : 18th November, 2020
Srimanta Sankaradeva International Auditorium, Guwahati






CEOs


CEOs